**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 16-01-2026

**Time :** 1845 Hrs.

***Assamese Midday Bulletin***

**HEADLINE**

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সন্মুখত কাইলৈ সৰুসজাই ষ্টেডিয়ামত ১০ হাজাৰ শিল্পীৰ বাগৰুম্বা নৃত্য প্ৰদৰ্শন। আজি শিল্পীসকলৰ চূড়ান্ত আখৰা।

২। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পলাশবাৰী আৰু কমলপুৰ বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

৩। মাজুলী আৰু শ্ৰীভূমি জিলাত জাপানী এনকেফেলাইটিছৰ ছিটা প্ৰদান অভিযান।

৪। বাক্সা জিলাৰ সুবনখাটাত চতুৰ্দশ ভাৰত-ভূটান বন্ধুত্ব মেলা।

*আৰু*

৫। সমগ্ৰ ৰাজ্যতে কাইলৈ ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক মৃত্যু বাৰ্ষিকী শিল্পী দিৱস ৰূপে আয়োজনৰ ব্যাপক প্ৰস্তুতি।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিয়লি ৬ বজাত গুৱাহাটীৰ সৰুসজাইস্থিত অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। বাগৰুম্বা নৃত্যৰ চূড়ান্ত আখৰাৰ বাবে ইতিমধ্যে সৰুসজাই ষ্টেডিয়ামত ৰাজ্যৰ ২৩ খন জিলাৰ ৮১ টা সমষ্টিৰ পৰা অহা ১০ হাজাৰ শিল্পী ব্যস্ত হৈ পৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সৰুসজাই ষ্টেডিয়ামত উপস্থিত হৈ সমগ্ৰ পৰিবেশ তদাৰক কৰাৰ লগতে সমবেত শিল্পীসকলক সাহস আৰু অনুপ্ৰেৰণা দিয়াৰ উদ্দেশ্যে চমু ভাষণ প্ৰদান কৰে।

ইয়াৰ পূৰ্বে কালি সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই বাগৰুম্বা নৃত্যৰ আখৰা পৰিদৰ্শন কৰে। অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অংশস্বৰূপ বড়োসকলৰ বাগৰুম্বা নৃত্যৰ বিশ্বজুৰি প্ৰসাৰৰ অৰ্থে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়েও কালি আবেলি সৰুসজাইত উপস্থিত হৈ বাগৰুম্বা নৃত্যৰ আখৰাৰ লগতে সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়।

বাগৰুম্বা দ'হৌ অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত বিটিচিত নতুনকৈ নিযুক্তি লাভ কৰা শিক্ষকসকলৰ কাইলৈ হ'বলগীয়া নথি পৰীক্ষাৰ দিন পিছুৱাই দিয়া হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে পৰহিলৈ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা

এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। মন্ত্ৰী পীযূষ হাজৰিকা, কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে কালি প্ৰধানমন্ত্ৰীয়ে অংশ ল'বলগীয়া জনসভাস্থলী পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **গুৱাহাটীৰ পৰা ৰোহটক** চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ পলাশবাৰী আৰু কমলপুৰ বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ সদস্যাসকলৰ মাজত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। পলাশবাৰী আৰ বি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই পলাশবাৰী সমষ্টিৰ ৩৬ হাজাৰ ৫১ গৰাকী মহিলাক উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে দক্ষিণ কামৰূপৰ পুৰণি এৰী-মুগা শিল্পৰ উন্নয়নৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণৰ পৰিকল্পনা কৰি থকাৰ বিষয়ে প্ৰকাশ কৰে। সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত শ্ৰীশৰ্মাই পলাশবাৰী নগৰৰ উন্নয়নৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাৰ বিষয়েও উল্লেখ কৰে।

-বাইট(মুখ্যমন্ত্ৰী)-

মুখ্যমন্ত্ৰীয়ে লগতে বিহদিয়া জাজিকোণা আঞ্চলিক ৰাস উদযাপন থলীত আয়োজিত অনুষ্ঠানত কমলপুৰ সমষ্টিৰ ৩২ হাজাৰ ৮০৪ গৰাকী মহিলাক প্ৰাৰম্ভিক মূলধনৰ চেক প্ৰদান কৰে।

০০০০০

বজালী জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান বজালী উচ্চতৰ মাধ্যমিক বিদালয়ৰ গৌৰৱময় শতবৰ্ষৰ সামৰণি অনুষ্ঠান ৩ দিনীয়া কাৰ্যসূচীৰে আজিৰে পৰা আয়োজন কৰা হৈছে। আজি প্ৰথম দিনা কাৰ্যসূচীত ৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মূল ভৱন শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উদ্বোধন কৰে। উদ্বোধনী ভাষণত মন্ত্ৰী ডাঃ পেগুৱে এইদৰে কয়ঃ

বাইট ঃ ডাঃ পেগু

এই উদ্বোধনী অনুষ্ঠানত বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসো উপস্থিত থাকে। ১৯২৬ চনত স্থাপন কৰা বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ১০০ বছৰীয়া গৌৰবোজ্জল শৈক্ষিক যাত্ৰাত ভালেসংখ্যক মেধাবী ছাত্ৰ-ছাত্ৰী আৰু মানৱ সম্পদৰ সৃষ্টি কৰিছে। শতবাৰ্ষিকী উপলক্ষে আজি পুৰা ১০০ খন পতাকা উত্তোলন কৰা হয়। শিক্ষানুষ্ঠানখনৰ প্ৰাক্তন ছাত্ৰ তথা ভাৰতৰ স্বাধীনতা আন্দোলনৰ ছহিদ মদন বৰ্মন আৰু অসম তথা বজালীৰ ৰত্ন, শিক্ষাবিদ প্ৰয়াত কামেশ্বৰ দাসৰ আৱক্ষ মূৰ্তি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে উন্মোচন কৰে। অনুষ্ঠানত এশ গৰাকী নাচনীয়ে বিহু নৃত্য প্ৰদৰ্শন কৰে। শতবৰ্ষ উদযাপন উপলক্ষে গ্ৰন্থমেলা, প্ৰদৰ্শনী আদিৰো আয়োজন কৰা হয়।

০০০০০

শিৱসাগৰ জিলাত আজি অসমীয়া যুৱক-যুৱতীক সংস্থাপনৰ লক্ষ্যৰে শিল্পী মানস ৰবীনৰ উদ্যোগত গঠন হোৱা ৰবীন আৰ্মীত পঞ্জীয়ন প্ৰক্ৰিয়া অনুষ্ঠিত হয়। শেহতীয়াকৈ শিল্পীগৰাকীয়ে মুকলি কৰা ৰবীন আৰ্মী এপৰ জৰিয়তে অসমীয়া যুৱক-যুৱতীৰ দক্ষতা বিকাশৰ লগতে আত্ম-সংস্থাপনৰ পথ মুকলি কৰাৰ চেষ্টা কৰা হৈছে।

শিৱসাগৰৰ ব'ৰ্ডিং খেলপথাৰত অনুষ্ঠিত পঞ্জীয়ন প্ৰক্ৰিয়াত আজি বিশিষ্ট ছবি পৰিচালক ৰাজেশ ভূঞা উপস্থিত থাকে। শিৱসাগৰত ইতিমধ্যে ১৫০ জনৰো অধিক দক্ষতাসম্পন্ন যুৱক-যুৱতীয়ে এই এপত নিজৰ নাম পঞ্জীয়ন কৰে। ৰবীন আৰ্মীয়ে যুৱক-যুৱতীসকলক বিভিন্ন ক্ষেত্ৰত কাৰিকৰী প্ৰশিক্ষণ প্ৰদান কৰাৰ পাছতে আনুষ্ঠানিকভাৱে পঞ্জীয়ন প্ৰক্ৰিয়া সম্পন্ন কৰে। কৰ্মই ধৰ্ম বাণীক সাৰোগত কৰি ৰবীন আৰ্মী এখন নতুন, কৰ্মমুখী আৰু আত্ম-নিৰ্ভৰ অসম গঢ়াৰ লক্ষ্যৰে অগ্ৰসৰ হৈছে।

-বাইট(মানস ৰবীন)-

ooooo

মাজুলী জিলাত অহা ১৯ জানুৱাৰীত জাপানী এনকেফেলাইটিছৰ ছিটা প্ৰদান অভিযান আৰম্ভ হ'ব। প্ৰাপ্তবয়স্ক লোকসকলক সামৰি ল'বলগীয়া এই কাৰ্য্যসূচী ২১ দিন ধৰি চলিব। ১৫ বছৰৰ পৰা ৬৫ বছৰ বয়সৰ সকলো যোগ্য প্ৰাপ্ত বয়স্কক এই অভিযানত অন্তৰ্ভুক্ত কৰা হ'ব। এই প্ৰতিষেধক প্ৰদান কাৰ্য্যসূচী সম্পূৰ্ণ বিনামূলীয়া, নিৰাপদ আৰু ফলপ্ৰসূ হোৱাৰ লগতে ই দীৰ্ঘকালীন সুৰক্ষা প্ৰদান কৰিব। মাজুলী জিলাৰ মুঠ জনসংখ্যাৰ ৭২ হাজাৰ প্ৰাপ্তবয়স্ক লোকক সামৰি লোৱাৰ লক্ষ্যৰে ৪৬৮ খন গাঁও আৰু ৪৪ টা উপ-স্বাস্থ্য কেন্দ্ৰ লগ লাগি ৩৪৪ টা প্ৰতিষেধক প্ৰদান কেন্দ্ৰ স্থাপন কৰা হৈছে। ৪২৬ খন বিদ্যালয় আৰু ১২০ টা অংগনৱাড়ী কেন্দ্ৰত এই প্ৰতিষেধক প্ৰদান কেন্দ্ৰসমূহ স্থাপন কৰা হ'ব। জিলা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে মাজুলী জিলাক জাপানী এনকেফেলাইটিছৰ পৰা মুক্ত কৰাৰ লক্ষ্যত উপনীত কৰাৰ বাবে সকলো নাগৰিকক এই প্ৰতিষেধক গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

শ্ৰীভূমি জিলাতো ১৫ৰ পৰা ৬৫ বছৰ বয়সৰ লোকসকলক সামৰি জাপানী এনকেফেলাইটিছৰ প্ৰতিষেধক প্ৰদান কাৰ্য্যসূচী চলি আছে। এই কাৰ্য্যসূচীৰ অগ্ৰগতিৰ বুজ ল'বলৈ আজি শ্ৰীভূমিৰ ভাৰপ্ৰাপ্ত জিলা উন্নয়ন আযুক্তৰ অধ্যক্ষতাত এখন সভা অনুষ্ঠিত হয়। এই সভাত জনসাধাৰণক প্ৰতিষেধকবিধৰ এটা খোৰাকে আগবঢ়োৱা দীৰ্ঘকালীন সুৰক্ষাৰ বিষয়ে অৱগত কৰোৱা হয়।

ooooo

বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ সুৱনখাটাত আজিৰে পৰা চতুৰ্দশ ভাৰত-ভূটান বন্ধুত্ব মেলা আৰু ৭৪ সংখ্যক মাঘমেলা আৰম্ভ হৈছে। শান্তি আৰু সম্প্ৰীতিৰ বাণী লৈ ভূটান পাহাৰৰ পৰা কুৰ্মালাগাসকল ইতিমধ্যে ভাৰত-ভূটান বন্ধুত্ব মেলাস্থলীলৈ নামি আহিছে। বড়ো, ৰাভা, গোৰ্খা, চাওতালী, কোচ-ৰাজবংশীৰ লগতে ভূটীয়াসকলৰ পৰম্পৰাগত লোকনৃত্য গীতেৰে সুৱনখাটাৰ আকাশ-বতাহ মুখৰিত হৈ পৰিছে। ৯-দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত এই মেলাৰ মুখ্য তোৰণ বাগানপাৰা পৰিষদীয় সমষ্টিৰ পাৰিষদ ৰেখা ৰাণী দাস বড়োৱে উন্মোচন কৰে। ইয়াৰ পাছতে বাক্সাৰ জিলা আযুক্ত গৌতম দাসে ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা আৰু ভূটানৰ চান্দ্ৰুপ ঝংখাৰৰ উপাযুক্ত ময়ৰ দাসো থ্ৰমপনে ভূটানৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। ইয়াৰ লগে লগে দুয়োখন দেশৰ ৰাষ্ট্ৰীয় সংগীত পৰিবেশন কৰি মেলা মকুলি কৰা হয়। ভাৰত-ভূটান বন্ধুত্ব মেলাত ভূটানৰ বিভিন্ন খাদ্য-সম্ভাৰ উপলব্ধ হোৱাৰ উপৰি দেশখনৰ সাংস্কৃতিক কাৰ্যসূচীও পৰিবেশন কৰা হ'ব। মেলাত ভূটানত জৈৱিকভাৱে উৎপাদিত সামগ্ৰীয়ে দৰ্শকক আকৰ্ষিত কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে। এই বন্ধুত্ব মেলাৰ জৰিয়তে দুয়োখন দেশৰ বন্ধুত্ব শক্তিশালী হোৱাৰ লগতে বাণিজ্যিক দিশৰ উত্তৰণ ঘটিব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে।

ooooo

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি ৩ বাজি ৫ মিনিটত প্ৰচাৰ হোৱা মীন বিভাগৰ উন্নয়ন সন্দৰ্ভত হোজাই জিলাৰ জিলা মীন বিষয়া ভৱানী প্ৰসাদ নাথৰ সৈতে হোৱা সাক্ষাৎকাৰটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ হোজাই জিলাৰ সংবাদদাতা মিণ্টু তামুলী ফুকনে।

ooooo

সমগ্ৰ ৰাজ্যতে কাইলৈ অসমীয়া সাংস্কৃতিক জগতৰ অন্যতম হোতা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিত শিল্পী দিৱস উদযাপন কৰা হ'ব। প্ৰতি বছৰে ১৭ জানুৱাৰীত তেওঁৰ মৃত্যু দিৱসৰ সৈতে সংগতি ৰাখি, নাটক, সংগীত, সাহিত্য, চলচ্চিত্ৰ আদি বিভিন্ন দিশত মহান শিল্পীগৰাকীয়ে আগবঢ়াই যোৱা অৱদানসমূহৰ বিষয়ে স্মৰণ কৰা হয়।

বাক্সা জিলাৰ বাগানপাৰাত আজিৰে পৰা দুদিনীয়াকৈ সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শিল্পী দিৱসৰ কাৰ্য্যসূচী অনুষ্ঠিত হৈছে। বাক্সা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বাগানপাৰা আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত এই কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছে। অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক ৰমেশ কলিতাই দুদিনীয়াকৈ অনুষ্ঠিত হোৱা শিল্পী দিৱসৰ আজি মূল দুৱাৰ মুকলি কৰে। বাক্সা জিলা সাহিত্য সভাৰ সভাপতি যামিনী দাস তালুকদাৰে চিত্ৰাংকণ প্ৰতিযোগিতা উদ্বোধন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ, তৰ্ক আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। আনহাতে, কাইলৈ হ'বলগীয়া মুকলি সভাত সদৌ অসম ছাত্ৰ সভাৰ কেন্দ্ৰীয় বিষয়ববীয়াসকল উপস্থিত থাকিব।

ooooo

ভাৰতীয় সেনা বাহিনীয়ে অসমৰ ৪ খন জিলা শোণিতপুৰ, বিশ্বনাথ, নগাওঁ আৰু মৰিগাওঁত অগ্নিপথ আঁচনিৰ অধীনত অগ্নিবীৰ হিচাপে নিযুক্তি দিয়াৰ বাবে ইতিমধ্যে সূচীভুক্ত কৰা প্ৰাৰ্থীসকলৰ বাবে নিযুক্তি ৰেলী ব্যৱস্থা কৰিছে। অহা ২২ ফেব্ৰুৱাৰীত মৰিগাঁও জিলাৰ প্ৰাৰ্থীসকলৰ বাবে এই ৰেলী অনুষ্ঠিত হ'ব। শোণিতপুৰ জিলাাৰ মিছামাৰী সেনা শিবিৰৰ যশৱন্ত সেনা শিবিৰত এই ৰেলীৰ আয়োজন কৰা হৈছে। যোগ্যতা সম্পন্ন প্ৰাৰ্থীয়ে ভাৰতীয় সেনা বাহিনীৰ ৱেবছাইট www.join*in***indian***army*.nic.in ৰ পৰা নিজৰ প্ৰবেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। বাচনি হৈও প্ৰবেশপত্ৰ লাভ নকৰা বা যিকোনো ওজৰ আপত্তিৰ বাবে প্ৰাৰ্থীয়ে ইমেইল আৰু ফোন কৰিব পাৰিব। উল্লেখযোগ্য যে ২০২৫ চনৰ জুন-জুলাই মাহত অগ্নিবীৰ নিযুক্তিৰ বাবে অনলাইনযোগে সাধাৰণ প্ৰবেশ পৰীক্ষা অনুষ্ঠিত হৈছিল।

ooooo

হোজাই জিলাৰ লংকাৰ ঐতিহ্যমণ্ডিত লংকা হাইস্কুলত আজিৰ পৰা ৩ দিনীয়া কাৰ্যসূচীৰে মহাৰজত জয়ন্তী সমাৰোহ অনুষ্ঠিত হৈছে। আজি কাৰ্যসূচীৰ আৰম্ভণিতে লংকা হাইস্কুলৰ মূল পতাকা উত্তোলন, মহাৰজত জয়ন্তীৰ পতাকা উত্তোলন আৰু সতীৰ্থ সমাৰোহৰ সৰ্বমুঠ ৩ খনকৈ পতাকা উত্তোলন কৰা হয়। পৰৱৰ্তী সময়ত সমবেত সংগীত, ছহিদ তৰ্পন, জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মায়াবিনী গীত পৰিবেশন কৰা হয়। ৩ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই সমাৰোহত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু

সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী তৰালী শৰ্মাই অংশ গ্ৰহণ কৰাৰ কথা। সমাৰোহ উপলক্ষে বিদ্যালয়খনৰ প্ৰাক্তন তথা বৰ্তমানৰ শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকৰ মাজত আনন্দমুখৰ পৰিৱেশ দেখা গৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যুৰ দিন অৰ্থাৎ শিল্পী দিৱস উপলক্ষে কাইলৈ বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ পৰা বাতৰি বিভাগৰ বাতৰি পঢ়োতা, বাতৰি সম্পাদক, ডিটিপি কৰ্মচাৰী আৰু সহায়কসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত, কবিতা আৰু নাটকৰ সংলাপ পৰিৱেশন কৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ফেচবুক পেজ আৰু ইউটিউব চেনেলযোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ফে'চবুক আৰু ইউটিউবত অনুষ্ঠানটো বিৰতিবিহীনভাৱে প্ৰচাৰিত হ'ব। অনুষ্ঠানটোৰ নিৰ্বাচিত অংশ ১৮ জানুৱাৰী দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত মহাবাহু চেনেলযোগে প্ৰচাৰ কৰা হ'ব।

০০০০০

কাৰ্বি আংলং জিলাৰ বকলিয়াৰ বিশিষ্ট কাৰ্বি লোক-শিল্পী কাহান তেৰাংপিৰ কালি দেহাৱসান ঘটে। লাংবুং ডিংপি গাঁৱৰ নিবাসী তেৰাংপিৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৯০ বছৰ। কাৰ্বি পৰম্পৰাগত ৰীতি-নীতিৰে কাইলৈ তেওঁৰ শেষ কৃত্য সম্পন্ন কৰা হ'ব। শিল্পীগৰাকীৰ বিয়োগত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। বৃহত্তৰ বকলিয়া অঞ্চলৰ সৰবৰাহী মহিলা প্ৰয়াত তেৰাংপিয়ে কাৰ্বি দহা কাৰ্য্যত লোক-শিল্পীৰূপে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

০০০০০

অসম ফুটবল সন্থাই ২০২৫-২৬ বৰ্ষৰ সন্তোষ ট্ৰফীৰ ৭৯ সংখ্যক ৰাষ্ট্ৰীয় ফুটবল চেম্পিয়নশ্বিপত ভাগ ল'বলগীয়া অসমৰ ছিনিয়ৰ পুৰুষ ফুটবল দলৰ ২২ গৰাকী খেলুৱৈৰ তালিকা প্ৰকাশ কৰিছে। প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ খেলসমূহ ঢকুৱাখনা আৰু চিলাপথাৰত ২১ জানুৱাৰীৰ পৰা ৮ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। ৭ জানুৱাৰীৰ পৰা ধেমাজিত অনুষ্ঠিত প্ৰস্তুতি শিবিৰৰ প্ৰদৰ্শনৰ ভিত্তিত খেলুৱৈসকলক বাছনি কৰা বুলি সংস্থাই জানিবলৈ দিছে।

০০০০০

সমাপ্ত